REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-06-2023
Time : 1800 Hrs.

**ASSAMESE EVENING BULLETIN**

বন্যপ্ৰাণী সংৰক্ষণ আৰু বন্যপ্ৰাণীৰ প্ৰাকৃতিক বাসস্থানসমূহ সুৰক্ষিত কৰাৰ দিশত ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। সেই উপলক্ষে পৰিৱেশ আৰু বন বিভাগে কামৰূপ জিলাৰ চানডুবিত গ্ৰীণ আছাম শীৰ্ষক এটা গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত কয় যে অহা ২ অক্টোবৰত গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰে অসমত ১ কোটি গছ পুলি ৰোপন কৰিব। এই কাৰ্যসূচীত অংশ লোৱা প্ৰতিগৰাকী ব্যক্তিলৈ গছপুলি প্ৰতিপালনত সহায়ক হোৱাকৈ ১০০ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে। ইয়াৰ লগতে গছজোপা ৰোপণ কৰাৰ তিনি বছৰৰ পাছত প্ৰতিপালন কৰা ব্যক্তিগৰাকীয়ে কৃতজ্ঞতা হিচাপে ২০০ টকাকৈ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মুঠ ভৌগোলিক অঞ্চলৰ বনভূমি ৩৬ শতাংশৰ পৰা ৩৮ শতাংশলৈ বৃদ্ধি কৰাৰ ক্ষেত্ৰত চিন্তা-চৰ্চা অব্যাহত ৰখা বুলিও ভাষণত উল্লেখ কৰে। এই কাৰ্যসূচীত অসম চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে সাংসদ, বিধায়ক আৰু শীৰ্ষ বিষয়াসকলে প্ৰায় ৫০০ তকৈও অধিক গছপুলি ৰোপণ কৰে। স্থানীয় প্ৰজাতিৰ গছ যেনে - শাল, শিলিখা, ভোমোৰা, আমলখি, কঁঠাল, এজাৰ, আদি গছ ৰোপণ কৰা হয়। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াৰ লগতে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উপাধক্ষ্য ডাঃ নোমল মমিনকে ধৰি কেইবাজনো মন্ত্ৰী, সাংসদ, বিধায়ক, ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা তথা পৰিষদৰ কাৰ্যবাহী সদস্যসকল, জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু স্থানীয় ৰাইজকে ধৰি শিক্ষাৰ্থীসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানটোতে 'প্ৰাকৃতিক কৃষি দিশত এখোজ' শীৰ্ষক এখন সহায়ক পুথি আৰু এখন পুস্তিকাও উন্মোচন কৰে।

০০০০০০০

ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই কাইলৈ ডিব্ৰুগড় জিলা ভ্ৰমণ কৰিব। মোহনবাৰী বিমান বন্দৰত উপস্থিত হোৱাৰ পাছতে ৰাজ্যপালগৰাকীয়ে বিমান বন্দৰত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, উপায়ুক্ত আৰু অন্যান্য শীৰ্ষ বিষয়াৰ সৈতে বৈঠকত মিলিত হ'ব। ৰাজ্যপাল কাটাৰিয়াই ৰাজ্যপাল কাটাৰিয়াই শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ লগতে খনিকৰত নৱনিৰ্মিত ক্ৰীড়া চৌহদো পৰিদৰ্শন কৰি ধেমাজিলৈ ৰাওনা হ'ব।

০০০০০০০

চতুৰ্থ G20-ৰ শিক্ষাকৰ্মী গোটৰ বৈঠক অহা ১৯ জুনৰ পৰা মহাৰাষ্ট্ৰৰ পুনেত অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্যৰ বিদ্যালয় আৰু জিলা পৰ্যায়ত ১ জুনৰ পৰা ১৫ জুনলৈ বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মৰিগাঁও জিলাত সমদল, আবৃত্তি, কাহিনী কোৱা প্ৰতিযোগিতা, কুইজ আৰু শিশুৰ সাংখ্যিক আৰু সাক্ষৰতা আহৰণত পিতৃ-মাতৃৰ ভূমিকা সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীৰ জৰিয়তে অভিভাৱক, বিদ্যালয় কৰ্তৃপক্ষ, কৰ্মীগোট, বিদ্যালয়সমূহে ৰাষ্ট্ৰীয়

শিক্ষানীতিৰ আধাৰত বিদ্যালয় পৰ্যায়ত প্ৰাথমিক শিক্ষা, মাতৃভাষাৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰা বিদ্যালয় পৰ্যায়লৈ ৰাজহুৱা অংশগ্ৰহণ কাৰ্যসূচীৰ জৰিয়তে সাক্ষৰতা আৰু সংখ্যাৰ ভিন্নতাৰ ওপত সজাগতা বৃদ্ধিৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ অধীনত মৰিগাঁও জিলাৰ কৃষি বিভাগৰ উদ্যোগত জাগীৰোডৰ ভেৰভেৰীত আজি ধান চপোৱা উৎসৱ অনুষ্ঠিত হয়। এই উৎসৱত ভেৰভেৰী পথাৰত কৃষকসকলৰ মাজত মেচিনেৰে ধান চপোৱা পদ্ধতি প্ৰদৰ্শন কৰা হয়। লগতে কৃষি বিভাগৰ তৰফৰ পৰা কৃষকসকলক কম দৰত ধান চপোৱা যন্ত্ৰ প্ৰদান কৰা হয়।

০০০০০০০

কাৰ্বি জনগোষ্ঠীৰ কৃষি সম্পৰ্কীয় উৎসৱ ৰেকপি ৰংকেৰ পশ্চিম কাৰ্বি আংলঙৰ খেৰনিৰ কপিলী নৈৰ পাৰত উদযাপন কৰা হৈছে। এই উৎসৱত জনগোষ্ঠীটোৱে ধন-ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী লক্ষ্মী দেৱীৰ আৰধনা কৰি কঠিয়া আগবঢ়ায়। পূজাৰ শেষত কৃষি কাৰ্য সম্পাদন কৰাৰ বাবে কৃষকসকলৰ মাজত এই কঠিয়া পৰম্পৰাগতভাৱে বিতৰণ কৰা হয়। খেতিয়কসকলে সেই কঠিয়া আন কঠিয়াৰ লগত মিহলাই খেতি কৰিলে উৎপাদন ভাল হয় বুলি বিশ্বাস প্ৰচলিত আছে।

০০০০০০০

সত্ৰীয়া সংস্কৃতিৰ সাধক তথা মাজুলীৰ ঐতিহাসিক শ্ৰীশ্ৰী বিহিমপুৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰ মোহন চন্দ্ৰ মহন্তৰ আজি দেহাৱসান ঘটে। প্ৰয়াত মোহন চন্দ্ৰ মহন্ত দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৮ বছৰ। অৱসৰপ্ৰাপ্ত শিক্ষক মোহন চন্দ্ৰ মহন্ত এগৰাকী বলিষ্ঠ অভিনেতাও আছিল। সত্ৰীয়া সংস্কৃতি প্ৰচাৰৰ বাবে তেওঁ গোবিন্দ দেৱ কৃষ্টি সংঘৰ প্ৰতিষ্ঠা কৰাৰ লগতে যুৱসকলক একত্ৰিত কৰি আগুৱাই নিয়াৰ উদ্দেশ্যেৰে বিহিমপুৰ যুৱ সংঘৰো প্ৰতিষ্ঠা কৰিছিল।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগত  কামৰূপ মহানগৰ জিলাৰ বাবে অংশকালীন সংবাদদাতা পদৰ বাবে আবেদন বিচৰা হৈছে। ২০২২ বৰ্ষৰ প্ৰসাৰ ভাৰতীৰ নিৰ্দেশনানুযায়ী কামৰূপ মহানগৰ জিলাৰ প্ৰাৰ্থীয়েহে এই আবেদন কৰিব পাৰিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW. NEWSONAIR.GOV.IN ৱেবচাইটত আবেদনৰ বিতং তথ্য জানিব পাৰিব। প্ৰাৰ্থীসকলে ৱেবছাইটৰ পৰা  নিৰ্ধাৰিত প্ৰ-পত্ৰ ডাউনলোড কৰি পূৰণ কৰাৰ লগতে স্বপ্ৰত্যায়িত কৰি একপি শেহতীয়া পাছপোৰ্ট আকাৰৰ আলোকচিত্ৰসহ প্ৰয়োজনীয় সকলো নথি সংলগ্ন কৰি পঠিয়াব লাগিব।

০০০০০০০

সমাপ্ত